## যোৰহাট মহাবিদ্যালয়ৰ কহিনুৰ জয়ন্তী

২৫/০২/২৪ দৈনিক জনমভূমি

# বৰ্ণিল শোভাযাত্ৰাই মুহিলে যোৰহাটবাসীক



যোৰহাট ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী ঃ যোৰহাট মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল কহিনুৰ জয়ন্তী উপলক্ষে আজি উলিওৱা বৰ্ণাঢ্য শোভাযাত্ৰাই মুহিত কৰে

৮ পিঠিলৈ

# বৰ্ণিল শোভাযাত্ৰাই...

যোৰহাটবাসীক। গায়ন-বায়ন, ভাওনাৰ দৃশ্যাংশ, বৰ অসমৰ জাতি- জনগোষ্ঠীৰ কৃষ্টি-কলা সংস্কৃতিৰ প্ৰতিফলনে আজি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন শিক্ষাৰ্থী, কৰ্মচাৰী তথা শুভাকাংক্ষীসকলে বৰ্ণিল ৰূপত উপস্থাপন কৰে সাংস্কৃতিক শোভাযাত্ৰাটো। মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ শিক্ষাৰ্থীসকলে নিজস্ব প্ৰতিভাৰ উমান দি অসমীয়া কৃষ্টিৰ স্বাক্ষৰ বহন কৰা সংস্কৃতিৰ উপাদানসমূহ প্ৰতিফলিত কৰে বাৰেৰহণীয়া শোভাযাত্ৰাটোত। আজি পুৱা শোভাযাত্ৰাটো শুভাৰম্ভ কৰে ১৯৬২ চনৰ প্ৰথম দলত মহাবিদ্যালয়ত নামভৰ্তি কৰি সুদীৰ্ঘ ৬০ বছৰৰ পাছত পুনৰ মহাবিদ্যালয়ত নামভৰ্তি কৰা ৯৩ বছৰীয়া চিৰজেচিয়ান ৰবীন্দ্ৰ নাথ দাসে। পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱা, অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাই বৰ্ণাঢ্য ইতিহাস আগবঢ়ায়। শোভাযাত্ৰাটোত যোৰহাট জাতীয় বিদ্যালয়েও অংশগ্ৰহণ কৰে। কহিনুৰ জয়ন্তীৰ আজি কাৰ্যসূচী অনুসৰি মহাবিদ্যালয়ৰ ইংৰাজী আৰু অসমীয়া বিভাগে যুটীয়াভাৱে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰে। অসমৰ জনভাষা জৰীপ বিষয়ত আলোচনা চক্ৰখন উদ্বোধন কৰে অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোহাঁই ৰাজকোঁৱৰে। উদ্বোধনী ভাষণত উপাচাৰ্যগৰাকীয়ে কয় যে অসম মহিলা বিশ্ববিদ্যালয়ে যোৰহাট মহাবিদ্যালয়ৰ লগত যুটীয়াভাৱে চলাই থকা অসমৰ জনভাষা জৰীপ পদ্ধতিগতভাৱে বিজ্ঞানসন্মত হ'ব লাগিব। ইয়াৰ বাবে বজাৰত তথ্য প্ৰযুক্তি উপলব্ধ হওক বা নহওক, আমি থলুৱাভাৱে তাক বিকাশ কৰিব লাগিব। অসম মহিলা বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী ড° প্ৰশান্ত পূজাৰীয়ে অসমৰ ৭৫খন গাঁৱত ইতিমধ্যে সম্পন্ন কৰা জনভাষা জৰীপৰপৰা উঠি অহা অসমৰ ভাষিক ছবিখনৰ সম্পৰ্কে বহু আকৰ্ষণীয় তথ্য অৱগত কৰে আৰু যোৰহাট মহাবিদ্যালয়ৰ লগত যুটীয়াভাৱে এখন আন্তৰ্জাতিক আলোচনা চক্ৰ পতাৰ পোষকতা কৰে। সঞ্চালকৰ ভাষণত ড° দেৱব্ৰত শৰ্মাই আব্ৰাহম গ্ৰিয়ৰ্চনৰ ভাৰতৰ ভাষাতাত্ত্বিক জৰীপ (১৯২৮)ৰ ১০০ বছৰ পাছতো নতুনকৈ ভাষা জৰীপ নোহোৱাত উদ্বেগ প্ৰকাশ কৰে আৰু ইংৰাজী হিন্দী-সংস্কৃতৰ আধিপত্য আঁতৰাই জনজাতীয়-জনগোষ্ঠীয়-আদিবাসী ভাষাবিলাকৰ সমান্তৰালভাৱে অসমীয়াৰ দৰে আঞ্চলিক ভাষাবিলাকৰ বিকাশৰ পোষকতা কৰে। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা মনীষা দুৱৰাই আঁত ধৰা আলোচনা চক্ৰত শুভেচ্ছামূলক ভাষণ আগবঢ়াই স্থানীয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে যোৰহাট মহাবিদ্যালয়ত লৈ অহা ব্যতিক্ৰমী বিদ্যায়তনিক পদক্ষেপসমূহৰ প্ৰতি অভিনন্দন জনায়। শুভ্ৰজ্যোতি চন্দ্ৰই উদ্দেশ্য ব্যাখ্যা কৰা আলোচনা চক্ৰখনত ভাষা গৱেষিকা ড° জ্যোতিৰেখা হাজৰিকাই ব্ৰিটিছ সাম্ৰাজ্যবাদীহঁতে শোষণৰ স্বাৰ্থত হ'লেও ভাষাতাত্ত্বিক জৰীপ কৰাৰ বিপৰীতে স্বাধীন ভাৰতত এবাৰো ভাষাতাত্ত্বিক জৰীপ নকৰাত আক্ষেপ প্ৰকাশ কৰে। পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাও উপস্থিত থকা আলোচনা চক্ৰখনত মুখ্য সমল ব্যক্তিৰ বক্তব্য আগবঢ়াই ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ মানৱিকীবিদ্যা বিভাগৰ মুৰব্বী তথা আন্তৰ্জাতিক পৰ্যায়ৰ ভাষাতত্ত্ববিদ ড° প্ৰিয়ংকু শৰ্মাই কয় যে কোনো পূৰ্বধাৰণা লৈ আমি এনে জৰীপ কৰা উচিত নহয়। উপভাষাসমূহৰ ক্ষেত্ৰতো আমি ভবাতকৈও বহু বেছি বৈচিত্ৰ্য আছে। ভাষাসমূহৰ বৈচিত্ৰ্য অধ্যয়ন কৰাটো গুৰুত্বপূৰ্ণ। প্ৰতিটো মাতৃভাষাত পাঠ্যপুথি প্ৰণয়ন কৰাটোও জৰুৰী। প্ৰযুক্তি-নিৰ্ভৰ নহৈও প্ৰযুক্তিক ব্যৱহাৰ কৰিহে আমি আগবাঢ়িব পাৰিম। ডিজিটেল নতুন অভিধানৰ বাবেও তেওঁ আহ্বান জনায়। শলাগৰ শৰাই আগবঢ়ায় ড° জ্যোতিৰ্ময় বৰদলৈয়ে। সন্ধিয়া পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাৰ আহ্বানক্ৰমে জিলা আয়ুক্ত পুলক মহন্তই সাহিত্য অকাদেমি বিজয়িনী নিৰুপমা বৰগোহাঞিৰ সন্মানাৰ্থে নিবেদিত মঞ্চ মুকলি কৰে। এই মহাবিদ্যালয়ৰে একালৰ অধ্যাপিকাগৰাকীৰ সাহিত্যকৃতীৰ বিষয়ে কয় অধ্যক্ষ